
অৰুণজ্যোতি
হাতে লিখা আলোচনী
৪র্থ সংখ্যা, ২০২৪
সম্পাদক
মুখ্যজিত সোনোৱাল

# শ্ৰদ্ধাঞ্জলি



"কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা"
(১৯০৯ - ১৯৬৯)

* হে মহান আজিৰ এই শুভ ক্ষণত
তোমাক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ-
"তুমি জনগণৰ মাজত জীয়াই থাকা।"

# শ্ৰদ্ধাঞ্জলি

আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা সংঘৰ একালৰ সদস্য তথা সংঘৰ বিভিন্ন কৰ্মত সহ দিহা পৰামৰ্শ প্ৰদানকাৰী

৺ মইনা সোনোৱাল

আৰু

৺ ভূষণ সোনোৱাল - লৈ

আমি প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

তোমালোক অমৰ হোৱা
জনগণৰ মাজত জীয়াই থাকা।।

# সম্পাদনা সমিতি

উপদেষ্টা : তিমেশ্বৰ সোনোৱাল, ক্ষীৰোদ সোনোৱাল
অজিত সোনোৱাল, প্ৰসেন সোনোৱাল
পাপু সোনোৱাল, ফনিন সোনোৱাল
কল্লজিৎ সোনোৱাল, সত্যীব্ৰ কুমাৰ সোনোৱাল
পৰাগ সোনোৱাল।

সম্পাদক : মুখ্যজিত সোনোৱাল।

সহঃ সম্পাদক : বিতুপন সোনোৱাল, সুৰজিৎ সোনোৱাল।

লিপি : নৃপেন সোনোৱাল।

বেটুপাত : জুবিন শইকীয়া।

চিত্ৰাংকণ : নন্দীল সোনোৱাল, বিতুপন সোনোৱাল।

সদস্য/সদস্যা : জ্যোতিপ্ৰিয়ম, ভিটালী, প্ৰেৰণা,
সৰ্বানন্দ, পুলক, পংকু, গৌৰৱ,
জুমন।

# কৃতজ্ঞতা স্বীকাৰ



"যি সকল লোকে আমাক শুভেচ্ছা, সৎ দিহা-পৰামৰ্শ আগবঢ়াই সদায় উৎসাহিত কৰি আহিছে লগতে শুভাকাংক্ষী ৰাইজ তথা 'তৰুণ জ্যোতি যুৱ সংঘ' আৰু আলোচনী মনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সকলো লোকলৈ আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ।"

ধন্যবাদেৰে

সম্পাদনা সমিতি।

তৰুণ জ্যোতি, হাতেলিখা

আলোচনী।

# : সম্পাদকীয় একলম :



সাহিত্য-সংস্কৃতি এটা জাতি বা এখন সমাজৰ দাপোন তথা উত্তৰণৰ সৎ দিশ প্ৰদানকাৰী। নিজ ভাষা, সাহিত্য, সংস্কৃতিয়ে এটা জাতিক পূৰ্ণাংগ জাতিৰূপে গঢ়ি তোলে। সমাজৰ শান্তি-সম্প্ৰীতি আৰু শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত বা এখন উন্নয়নশীল সমাজ গঢ়াৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সাহিত্যই এটা দিশ সূচনা কৰি পোহৰৰ দিশে লৈ যাব পাৰে। সেয়ে আমাৰ এই অঞ্চলতো যাতে সাহিত্যৰ দ্বাৰা কিছু উন্নতিৰ ৰেঙনি প্ৰকাশ পায়, তাৰ বাবে গ্ৰন্থ-আলোচনীৰ জৰিয়তে আমি ৰ ন সৃষ্টি কৰিছোঁ।

বিগত কেইবাটা বছৰৰ আগৰ পৰাই বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি আমাৰ সংঘই 'বিষ্ণু প্ৰসাদ ৰাভা' দিৱসটি উদ্‌যাপন কৰি আহিছে আৰু বিভিন্ন আলোচনী তথা স্মৃতি গ্ৰন্থও প্ৰকাশ কৰি আহিছে। হাতে লিখা আলোচনীৰ এই প্ৰচেষ্টা ৪ৰ্থ বাৰৰ বাবে হাতত তুলি লোৱা হৈছে। যি সকল লেখক-লেখিকাই আমাক লিখনি দি সহায় কৰিলে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে সম্পাদনাৰ সহযোগী সকলকো আমাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শ্ৰদ্ধাৰে

সুধ্যজিত সোনোৱাল
সম্পাদক
অৰুণ জ্যোতি, হাতে লিখা আলোচনী

## অৰুণজ্যোতি যুৱ সংঘৰ সভাপতি ও সম্পাদকৰ একলম :



ভেৰেলী সোনোৱাল গাৱঁৰ 'অৰুণ জ্যোতি যুৱ সংঘ'ৰ জন্ম হৈছিল নিজ গাৱঁৰ লগতে অঞ্চলৰ যুৱক-যুৱতী সকলক সু-সংগঠিত কৰি তেওঁলোকৰ শাৰিৰীক, মানসিক, বৌদ্ধিক, সাংস্কৃতিক দিশসমূহ উন্নতি সাধন কৰা। তেনে উদ্দেশ্য আগত ৰাখি ২০১১ চনৰ পৰা 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা' দিৱসটি আয়োজন কৰি অহা হৈছে। এই ৰাভা দিৱসটি অনুষ্ঠিত কৰি যোৱাৰ এক ক্ষুদ্ৰতম প্ৰয়াস সংঘৰ দ্বাৰা কৰি অহা হৈছে। এই বছৰো তাৰ এক সম্ভুহীয়া প্ৰচেষ্টা।

ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এমন উপযুক্ত মঞ্চ প্ৰদান কৰি জাতিটোৰ তথা বিশ্বৰ ভাষা-সংস্কৃতি বিকাশৰ ক্ষেত্ৰত যাতে ভৱিষ্যতে আগবাঢ়ি যাব পাৰে তাক কেন্দ্ৰ কৰি প্ৰচেষ্টা চলাই অহা হৈছে। তাৰ সংগতি ৰাখি 'অৰুণজ্যোতি' হাতে লিখা আলোচনীৰ ৪ৰ্থ সংখ্যা প্ৰকাশ কৰিবলৈ হাতত লোৱা হৈছে। আলোচনীখন প্ৰকাশৰ বাবে প্ৰয়োজনীয় পুঁজি, সং দিহা-পৰামৰ্শ প্ৰদান কৰাৰ বাবে সেই সকল ব্যক্তিৰ ওচৰত তথা সম্পাদনা সমিতিৰ ওচৰত আমি চিৰকৃতজ্ঞ হৈ ৰ'ম।

তদুপৰি, অনাগত দিনত সংঘৰ কাৰ্য-কলাপত সহযোগিতা আৰু দিহা-পৰামৰ্শ আশা কৰি বৰ্তমান সময়ত সংঘৰ কাম-কাজত সহায় আগবঢ়োৱা লোক সকলৰ ওচৰত আমি চিৰ ঋণী।

সঞ্জীৱ কুমাৰ সোনোৱাল
সভাপতি, অং:জ্যো:যু: সং:

পৰাগ সোনোৱাল
সম্পাদক, অং:জ্যো:যু: সং:

# সূচীপত্ৰ


প্ৰবন্ধ :

মই দেখা তাহানিৰ ভেৰেলী সোনোৱাল গাওঁ আৰু আজি : প্ৰদীপ দেদাৰী।

নৰালিৰ খেল-ধেমালি : মনিত সোনোৱাল।

গল্প :

তুমি : সৰ্বানন্দ সোনোৱাল।

তাইৰ কথাৰে : পুলক জ্যোতি সোনোৱাল।

কবিতা :

ফাগুন : প্ৰভাতি গগৈ।

বিষাদ : মাইনা সোনোৱাল।

পৃথ্বী : জ্যোতি প্ৰিয়ম সোনোৱাল।

তোমালৈ মনত পৰে : ইন্দিৰা সোনোৱাল।

নিঃসঙ্গতা : গৌৰৱ সোনোৱাল।

নাৰী তুমি মহান : দিজিমনি সোনোৱাল।

আমাৰ গাওঁ : ধীৰুৰাজ সোনোৱাল।

শেৱালীৰ সুবাস : প্ৰেৰণা সোনোৱাল।

প্ৰাৰ্থনা : নৃপেন সোনোৱাল।

অনাম : পাপৰী সোনোৱাল।

ঠিকনা : মানস জ্যোতি সোনোৱাল।

# প্রবন্ধ

# মই দেখা তাহানিৰ জেৰেলী সোনোৱাল গাওঁ আৰু আজি

= প্ৰদীপা পেদাৰী ।

ধৰিত্ৰীয়ে গৰকা প্ৰসিদ্ধ জেৰেলী সোনোৱাল গাওঁ দেখা সৌভাগ্য হৈছিল ১৯৮৩ চনৰ আহাৰ মাহত মুৰাৰ ঘোৱালী বুজি মইৰ ঘৰ উঠোৱাত। গোগামুখৰ পৰা ধেমাজী অভিমুখী বাছত আহি দাস গাওঁৰ তিনি আলিত নামি ৰাষ্টাৰ ধাঁতিৰ পৰাই বোকাময় - ৰাষ্টাত খোজ কাঢ়ি মুৰা ঘৰ পালোগৈ। আহাৰ মহীয়া বৰষুণ, ৰাষ্টা ভুলিব নাছিলেই। মাজে মাজে বাঁহৰ সাঁকো। কঁৰবাত কঁৰবাত পানী বৈ আছিল।

এখন এল.পি স্কুল আৰু এখন এম.ই স্কুল আছিল। স্বাস্থ্য উপকেন্দ্ৰ এটাও আছিল। মাজুলী সোনোৱাল কছাৰী, বিহপুৰীয়া, বগীনদী আদি ঠাইৰ পৰা আহি ইয়াতে বসতি কৰিব লৈছিল। প্ৰতি বছৰে হোৱা ন-নদী বানপানীয়ে গাওঁখনি বোকা কৰি তুলিছিল। ধান খেতিয়েই একমাত্ৰ জীৱন নিৰ্বাহৰ মূল আছিল। ৰবি শস্য খুব কম হৈছিল। কিন্তু ন-নদীয়ে প্ৰতি বছৰে পলস আৰু বালি পেলাই গাওঁখনৰ খেতি-পথাৰ আৰু বাৰী বিলাক ধাম ও উৰ্বৰ কৰি তুলিছিল। ৰবি শস্যৰ বাবে উপযোগী কৰি তুলিছিল। ৰজনী কান্ত বৰদলৈদেৱৰ কালজয়ী

উপন্যাস সিৰি জীয়াৰীৰ প্ৰধান চৰিত্ৰ ব্যক্তি লোক-পালেই ইয়াতে বাসকই আছিল। গাওঁখন জুপুৰি-কল্পিত ভাবে বাহিছিল। দুটা বৰ্ণ-মেক্তৰ ইংৰাজী I- আখৰে সংযোগ কৰিছে। বৰ্তমান ভেৰেলীত এখন হাইস্কুল, এখন উচ্চতৰ মাধ্যমিক আৰু এখন কলেজ গঢ়ি উঠিছে। যোগাযোগৰ ব্যৱস্থা উন্নত হ'ল। গাওঁখনৰ আটাইকেইটা ৰাস্তা পকী হ'ল। ১৯৭৮ চনত হে গাওঁখনৰ পৰা প্ৰথম H.S.L.C পৰীক্ষাত পাছ কৰিছে মোৰ পৰিয়াৰ কিৰণ সোনোৱালে। চৰকাৰী চাকৰিয়াল দুজন আছিল। তেওঁলোক আছিল ওমজিন সোনোৱাল আৰু শৰত সোনোৱাল। আজি গাওঁখনত শিক্ষিত সংখ্যা বৃদ্ধি পালে, বৃদ্ধি পালে চাকৰিয়ালৰ সংখ্যাও। গাওঁখনিৰ বাবে গৌৰৱৰ বিষয় - গাওঁৰে শ্ৰী টংকেশ্বৰ সোনোৱাল, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য। খুৰ দ্ৰুতগতিত উন্নতি জনমানত আগবঢ়োত দিশ.. দৰ্শনকাৰী 'তৰুণ জ্যোতি যুৱ সংঘৰ শলাগ-লব লাগিব।

"জয়তু ভেৰেলী সোনোৱাল গাওঁ।"

* * * * *

## ল'ৰালিৰ খেল-ধেমালি

আমি শৈশৱ কালছোৱাত বহুতো আমোদজনক খেল দেখিছিলো, যিবিলাক বৰ্তমান শিশু সমাজত খেলা দেখা নাযায়। ঠাই বিশেষে কিছুমান খেলৰ প্ৰচলন আছে যদিও প্ৰায়বিলাক খেল পাহৰণিৰ গৰ্ভত বিলীন হৈ যোৱাৰ উপক্ৰম ঘটিছে। বৰ্তমান যুগত অত্যাধিক ব্যস্ততা, প্ৰতিযোগীতাৰ মনোভাৱ, আত্মকেন্দ্ৰিকা, ডাঙৰ খেল পথাৰৰ অভাৱ ইত্যাদি বিভিন্ন কাৰণত মুক্ত আকাশৰ তলত মুকলি মনেৰে খেল খেলাৰ সুযোগৰ পৰা আজিৰ শিশুসকল বঞ্চিত। সেয়েহে এই আলোচনাৰ জৰীয়তে লাহে লাহে আমাৰ মাজৰ পৰা হেৰাই যাব খোজা এই খেল সমূহৰ কিছুমানৰ বিষয়ে চমু অৱলোকন দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।



<u>ৰচীটনা</u> : বহু ল'ৰা ছোৱালীয়ে খেলা ৰচীটনা খেলত এডাল মজবুত ৰচী লৈ দুয়োফালে দুটা দলে টনা টনি কৰে। যিটো দলে নিৰ্দ্ধাৰিত সীমাডাল অতিক্ৰম কৰি বিপক্ষ দলৰ সদস্য সকলক নিজৰ ফাললৈ আনিব পাৰে সেইটো দল জিকে।

<u>কলহ ভঙা</u> : এক নিৰ্দিষ্ট স্থানত এটা কলহ ৰাখি খেলুৱৈ সকলৰ চকুত কাপোৰ বান্ধি হাতত লাঠি এডাল দি কলহটো ভাঙিবলৈ পঠিয়াই দিয়া হয়। যিজনে লাঠিডালেৰে কলহটো ভাঙিব পাৰে তেওঁৱেই জিকিব।

<u>লুকা-ভাকু</u> : কেইবাজনেও খেলিব পৰা এই খেলত এজোপা গছ বা এটা খুঁটিক ধাই হিচাপে লৈ এজনে বিভিন্ন স্থানত লুকাই থকা খেলৰ আন সদস্যসকলক বিচাৰিব লাগে। লুকাই থকা সকলে মনে মনে দৌৰি আহি যদি বিচাৰি থকাজনে চুব নোৱাৰাকৈ ধাই স্পৰ্শ কৰিব পাৰে তেন্তে পুনৰ তেওঁলোক লুকাবলৈ সুবিধা পায়। কিন্তু বিচাৰি থকাজনে কাৰোবাক চুব

পাৰিলে তেওঁ লুকাব পাৰিব আৰু যিজনক চুইছিলে তেওঁ পিছৰবাৰ চোলুৰেক বিচাৰিব লাগিব।

চুৱা-চুই : লুকা-ভাকুৰ দৰে আন এটা খেল চুৱা-চুই অনুশেষত এই খেলত লুকাব নালাগে। সকলোৱে দেখা দেখিকৈ ধাই চুব লাগে।

হেতালি বা ছেংগুটি : পাঁচটা গুটিৰে খেলা হেতালি বা ছেংগুটি খেল লৰা-ছোৱালীৰ আজও জনপ্ৰিয় খেল। মাটিত শিলগুটি কেইটা মেলি উপৰলৈ এটা গুটি দলিয়াব লাগে। খেলৰ নিয়ম অনুসৰি মাটিত মেলি থোৱা শিলগুটিবোৰৰ ক্ৰমানুসৰে এটা এটাকৈ, যোৰ যোৰকৈ, তিনিটা গুটি একেলগে আৰু এটা বেলেগকৈ, চাৰিটা একেলগে বুটলিব লাগে। হাতৰ বিশেষ ভংগিমাৰে শিলগুটি কেইটাৰে শেষৰ খেল দুটা খেলা হয়। এই দুটা খেলক হাঁচি আৰু 'গতা' নামেৰে জনা যায়। শেষত লেখ কৰা হয়। হেতালি খেলত উপৰলৈ দলিওৱা গুটিটোৰে মাটিত থকা শিলগুটিবোৰ বুটলোতে উপৰতে ধৰিব লাগে। যদি উপৰলৈ দলিওৱা গুটিটো হাতেৰে ধৰিব নোৱাৰে বা নিয়ম অনুসৰি মাটিৰ গুটিবোৰ বুটলিব নোৱাৰে তেন্তে আন এগৰাকীয়ে খেলিবলৈ সুযোগ পায়।

→ মনিতা সোনোৱাল।

* * *

# গল্প

# তুমি

– সৰ্বানন্দ সোনোৱাল

প্ৰথম বাৰৰ বাবে কত লগ পাইছিলোঁ মনত নাই। হয়তো লাইব্ৰেৰীত বা কলেজৰ কোনোবা এটা নিস্তব্ধ দুপৰীয়াত। ঠিক মনত নাই। কিন্তু তোমাৰ সেই কলা কাজল চকু আৰু কোঁচা চুলিখিনি মনত পৰে। তাকে চাই মই প্ৰেমৰ সাগৰত ডুব গ'লো। কেম্পাছৰ ভিৰ, লাইব্ৰেৰীৰ নিস্তব্ধ ঘন্টা, দুপৰীয়াৰ ধূলিমগ্ন হাৱাই-চপ্পল আৰু চাহ খোৱাৰ সৰু সৰু চুমুকৰ মাজত লক্ষ্য কৰিলোঁ তোমাৰ হাঁহি, ওঁঠৰ ৰেখা, পাতল লিপ-ষ্টিক, বাদামী চকু আৰু তোমাৰ কেঁকোৰা চুলিবোৰ। মনৰ জগতত যেতিয়া সকলোবোৰ কাম কৰা হয় আৰু আজি যেতিয়া সেইবোৰ কথা সঁচা হ'ল, তেতিয়াও সেই অবাস্তৱ জগতখনত তোমাক স্পৰ্শ কৰিব মন যায়। তুমি ধুনীয়া, ধুনীয়া, ধুনীয়া ছোৱালী। আৰু মই? সেই সৌন্দৰ্যৰ উপাসক হৈ পাৰিলোঁ।



কোনে আঁকিব জানে, প্ৰেম কৰিব জানে আৰু লগতে নিজৰ মনৰ কথা ক'ব জানে? নাই এইবোৰ একোঁ, তাৰ পৰিবৰ্তে চাহ একাপ চুমুক দি আগৰ দৰে সেই হাঁহিটোৰ মাদকতাত ডুব গ'লো....।

* * * * *

# তাইৰ কথাৰে

= পুলক জ্যোতি সোনোৱাল ।

তাই এজনী নিমখুৰা ছোৱালী আছিল। তাইৰ পাঁচ বছৰৰ বয়সতে মাক-দেউতাকক হেৰুৱাইছিল। তাই নিজৰ আইতাকৰ লগত এটি সৰু ঘৰত বাস কৰিছিল। তাই পঢ়াত মেধাৱী আছিল কিন্তু তাইৰ হাতত এমন ভাল স্কুলত পঢ়িবলৈ টকা-পইচা নাছিল। তাই গাৱঁৰে এমন স্কুলত পঢ়া-শুনা কৰিছিল। তাই পঢ়াৰ লগতে নিজৰ খৰমন চলাই নিবলৈ আনৰ ঘৰত কাম-বন কৰিব লগা হৈছিল। তাইৰ আইতাক ক্ৰমান্বয়ে বুঢ়ী হৈ আহিছিল।



চাওঁতে চাওঁতে তাই ডাঙৰ হৈ আহিছিল। তাই মেট্ৰিক পাছ কৰিছিল কিন্তু এমন ভাল কলেজত নাম ভৰ্তি কৰিবলৈ হাতত পইচা নাছিল। যিকিনহওঁক তাই এমন গাৰ্লছ্ কলেজত নাম লগালে। তাৰ এবছৰৰ পিছত তাইৰ জীৱনলৈ এটি অন্ধকাৰ নামি আহিল। তাইৰ আইতাকো তাইক এৰি থৈ সংসাৰ ত্যাগ কৰে। তাই নিমখুৰা হৈ একেবাৰে ভাগি পৰিছিল। লাহে লাহে দিন বাগৰি গ'ল। তাই H.S. পৰীক্ষাত পাছ কৰিলে। এতিয়া তাইৰ দায়িত্ব বাঢ়িল। তাই ভাবিলে তাই নিজৰ ভৱিষ্যত নিজে নিৰ্ণয় দিব পৰা লৈকে চেষ্টা চলাই যাব। তাৰ পিছৰে পৰা তাইৰ জীৱনলৈ ভাল দিন আহিবলৈ আৰম্ভ হ'ল।

কেইবছৰমানৰ পিছত তাই IPS অ'ফিচাৰ হ'ল। তাই নিজৰ সকলো আশা পূৰণ কৰিলে কিন্তু এতিয়াও তাইৰ মাক-দেউতাক, আইতাক-ৰ উৎসাহ, প্ৰেৰণা-ৰ পৰা বঞ্চিত আছিল। তাইৰ এতিয়া বিলাসী জীৱন কিন্তু তাইৰ ভাল দিনবোৰত তাইৰ মাক-দেউতাক, আইতাক-লগত থাকিব নোৱাৰিলে। তাই এনেদৰে আগবাঢ়ি গৈ থাকিল ক্ৰমান্বয়ে......।

"চেষ্টাৰ অসাধ্য একো নাই"

"কষ্টৰ ফল মিঠা"

* * * * *

## : মহৎ লোকৰ বাণী :

সংগ্ৰাহক : ভৰেশ সোনোৱাল।

১। শত্ৰুক সদায় ক্ষমা কৰিবা। কিন্তু তেওঁলোকৰ নাম কেতিয়াও নাপাহৰিবা — জন. এফ. কেনেডী।

২। আনৰ অজ্ঞানতা জনাই হ'ল শ্ৰেষ্ঠ জ্ঞান।
→ লাও জে।

৩। এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একেই কথা। -
→ মিল্টন।

৪। দায়বদ্ধতা হ'ল মহানতাৰ মূল্য - চাৰ্চিল।

* * * * *

# কবিতা

# ফাগুন

— প্ৰস্তুতি গগৈ ।

ফাগুন মোৰ আপোন
প্ৰেমৰ সেউজীয়া সপোন ।
ফাগুন মানেইতো আশাৰ শলিতা,
ফাগুন মানেইতো এটি মিঠা কবিতা
মৌপিয়াই চুমা মোৱা লাজুকী মদাৰ,
অভিমানী পলাশৰ ৰঙীন আভা ।
ফাগুন মানে মেঘৰ মাদল, নবজা উদাস
আকাশ, উতনুৱা পাভেক কঁহুৱা ।
ফাগুন মানে বিৰিখৰ নগ্ন ডালত
শিমলু ফুলীয়া সপোন,
সৰাপাতবোৰে ক'লে
ওই বাটেৰেই ফাগুন আহে
গুমৰাগৰ চেৰত মন দোলে
ফাগুন মানেইতো সেউজ ভাবনাৰ গুঞ্জন
ফাগুন মানেইতো
প্ৰেমৰ সেউজীয়া সপোন ।।



# বিষাদ

- মাইনা সোণোৱাল



নিজান দুপৰীয়া তইঁৰ কথাকে
ভাবি বহি আছোঁ
এৰা! তইয় নুবুজিলে মইৰ
বুকুৰ যন্ত্ৰণাৰ কথা।
বুকুত জ্বলাল মম পোইছি
পোই পোই শেষ হৈ আহিছি
ক্ৰমান্বয়ে মম জাল।
উম.........
তইৰ কথা ভাবিলে বুকুমন দুখায় উঠি
কি থাকবুজ' মন নিৰায়
মনত নুপাহৰি নৈ তইৰ
মইৰ হঁতে লগা কথাবোৰ;
তইয় আহিবে আহিবে বুলি
বহু দিন বাট চালো;
অথচ.........
তইয় নাহিলে,
আজিও তইৰ বাবে
নিজান দুপৰীয়া ভুন ॥

# পৃষ্ঠা




— জ্যোতি প্ৰিয়ম সোনোৱাল

উপন্যাসিক জীৱনৰ অধ্যায়টোনো
কেতিয়া শেষ হ'ব ?
ইমুহূৰ্ত ইহঁ অথা সমস্যাবোৰনো
কেতিয়া শাম কাটিব !
এটাৰ পাছত এটা অধ্যায় শেষ হৈছে
তথাপি জানো,
শেষ হৈছে অজস্ৰ বেদনাৰ ?
শেষ হৈছে জানো
বিষাদ ভৰা হাজাৰ হাজাৰ
স্মৰ ভানেকি ?
যদি শেষ হৈছে,
তথাপিও জানো কোনোবাই কৈছে
'মইয়ে সম্পূৰ্ণ' ।

# তোমালৈ মনত পৰি....

= ইন্দিৰা সোনোৱাল।

আজি তুমি এৰি থৈ যোৱা
বহু বছৰে হ'ল।
তথাপিও কিয় জানো ?
আজি বৰকৈ মনত পৰিছে।
আজি ২০ জুন,
তোমাৰ মৃত্যু দিন, বাপাদেৱ।
আজি জনমৰ চুকে-কোণে থৈছে
তোমাৰ গুণাগুণ।
তোমাৰ গীতৰ হৃদয়স্পৰ্শী সুৰ
বাজিছে সকলোতে,
যি দিশে যাওঁ, সেই দিশে শুনা পাওঁ
মাথোঁ তোমাৰ শক্তিশালী
গানৰ ধ্বনি।
আজি তোমালৈ মনত পৰি
মোৰ হৃদয়ে কান্দিছে।



# নিঃসঙ্গতা

= গৌৰৱ সোনোৱাল।



নিসঙ্গতাৰ সময়বোৰ নাপায় নোপোৱায়
পানিও শেষ কৰিব নোৱাৰি।
আজি বহুদিন হল
সুকলি আকাশৰ তলত মুক্ত মনেৰে
বিচৰণ কৰা নাই।
সপোনবোৰে কঁৰবালে ঢাকালি মেলিছে।
যান্ত্ৰিকতা আৰু আধুনিকতাত নিজে লিপ্ত হৈ,
কৃত্ৰিম প্ৰেমৰ সোৱাদ বিচাৰি নিজকে নতুনকৈ
- সজাই তুলিছো।
পাহৰি পেলো নিজৰ পৰিচয়।
নিজকে উদ্ধাৰ কৰাৰ আপ্ৰাণ চেষ্টা।
আৰ্তনাদ ঢালি চিঞৰিছো।
ডেউকা ভগা পক্ষীৰ বিননি,
কোনেবাই জানো শুনিব ?



# নাৰী তুমি মহান



- দিতিমনি সোনোৱাল।

নাৰী তুমি সঁচাই মহান
তোমাৰ বুকুতেই সৃষ্টি
দ্বিতীয় পৃথিৱীৰ যত আৱিষ্কাৰ;
তুমি জগত জননী,
তোমাৰ উমাল পৰশতেই
সাৰ পাই উঠে সমস্ত পৃথিৱী।

তোমাৰ মাতৃত্বৰ মমতাৰ কোলাত নিৰাপদে
নিদ্ৰামগ্ন শিশুৱে পাৰ কৰে,
শৈশৱৰ প্ৰতিটো দিন,
তোমাৰ মমতাৰ আঁচলৰ ছাঁয়ে
আৱৰি ৰাখে প্ৰতিটো জীৱন।

তুমি সমস্ত দুখ-কষ্ট সহিওঁ,
সংগ্ৰাম কৰি যোৱা ভৱিষ্যৎ জীৱনৰ বাবে,
এই পুৰুষশাসিত সমাজৰ অত্যাচাৰ
তুমি নীৰৱে সহি কেনেকৈ কৰা জীৱন পাৰ?
তুমি সঁচাই উজ্জীয়নী
তুমি সঁচাই মহান.....।

# আমাৰ গাওঁ

- ধীৰুৰাজ সোনোৱাল ।

ফলে-ফুলে ভৰপুৰ
আমাৰ গাওঁ ভেৰেলী,
সকলোৰে ঘৰে ঘৰে আছে
শাক-পাচলিৰ বাৰী ।
আমাৰ গাৱঁত আছে
কেৱল এটাই হৰিমন্দিৰ,
ইয়াৰ কাষৰ মঞ্চতে হয়
বিভিন্ন সভা সমিতি ।



আমাৰ গাৱঁত আছে
এখন প্ৰাথমিক স্কুল,
আমি অকণিহঁতে
তাতেই লিখা-পঢ়া শিকো ।
গাৱঁত আছে প্ৰায়
দুশঘৰ মানুহ,
সকলো ভাই-ভনী আমি
মিলি-জুলি থাকো ।
ডেকা-গাভৰুৱে মিলি
আছে এটা সংঘ,
সকলো কামতে আগ-ভাগ লয়
এই 'অৰুণজ্যোতি যুৱ সংঘ' ।

# শেৱালীৰ সুবাস

= প্ৰেৰণা সোনোৱাল।

শৰতৰ জোনাক, ৰাতিৰ গধূলি
শেৱালী ফুলে আজি বৈমালি কৰিছে,
চাৰিওফালে শেৱালীৰ সুবাসত
আমোল-মোল কৰি তুলিছে।

পুৱাৰ নিয়ৰ গছকি কণমানি জনীয়ে
শেৱালীৰ পাঁহিয়ে কোঁচ ভৰাইছেহি;
কাহিলী পুৱাৰ কুঁৱলীয়ে চাৰিওফালে
বতাহৰ লগত লুকা-ভাকু খেলিছে।

কুঁৱলীৰ ফাঁকে-ফাঁকে সূৰুযে আজি
হাঁহি-হাঁহি আগবাঢ়ি আহিছে;
মনোমোহা দৃশ্য চাই চাই এতিয়া
সকলো যেন আত্মহাৰা হৈ পৰিছে।

শেৱালীৰ সুবাসত মতলীয়া,
তুমি মই সকলো ॥



# প্ৰাৰ্থনা

= নৃপেন সোনোৱাল।

প্ৰজাৰ বাক স্বাধীনতা
ৰজাৰ সুমৰ লটৰ-পটৰ
আটাইৰে প্ৰাৰ্থনা।
"মাল" নে বুদ্ধিজীৱী
মাজুলীৰ বুকু জহি খহি
বিঘা বিঘা মাটিৰ প্ৰাৰ্থনাত
কামনাৰ বলি প্ৰজাৰ প্ৰাৰ্থনা, ৰক্ষা হে ৰাম।

প্ৰাৰ্থনা
ছয়ামায়া গধূলি
নিৰ্জনতাৰ পাঢ়ুলিত
কিহৰ উদ্ধুলি-মুদ্ধুলি।
হুমুনিয়াহ এটা
সপোন সাগোটা
ৰামধেনু বৰণীয়া
ৰ'দত পোৰা ছাল
জীৱনৰ মকৰাজাল।
বিন্দুৰ শেষটো বিন্দু
বিন্দুৰ পাৰা সিন্ধু
অসীমতো হেৰাই সীমা
আপুনি-মই এটা ছায়া।



প্ৰাৰ্থনাৰ শেষটো প্ৰাৰ্থনা
তুমি চিত্ত-বৃত্তি মোৰ
. . . . . . . . . . . .
নাজানোহো 'আবাহন'
নাজানোহো বিসৰ্জন॥

# অনাম

= পাপৰী সোনোৱাল।

পৰিচয় নো কি ?
কেৱল এক ঠিকনা,
পিতৃ-মাতৃৰ ছাঁ নো কি ?
কেৱল এক সাহস,
অনাম বুলি নিজক দুখ নকৰিবা
তোমালোকেই হ'বা জীৱন জীয়াৰ একো একোটা
মি, অনুভৱ কৰিব শিকাৰ পৰাই
অনুভৱ কি বুজি নাপায়,
কেৱল, ৰঙীন পৃথিৱীত দেখুওৱা বোৰেই সুখ নহয়,
যদি তাৰ প্ৰকৃত মাদকতা নাথাকে,
কেৱল পিতৃ-মাতৃ নাথাকিলেই অনাম নহয়
যদি তাৰ জীৱন জীয়াৰ আত্ম বিশ্বাস থাকে।
জীৱন যুঁজাৰু সেই সকলেই যাৰ ছাঁ নাই,
অথচ, জীৱন জীয়াৰ নিজস্ব এক অস্ত্ৰ আছে।।



# ঠিকনা

= মানস জ্যোতি সোনোৱাল।

গহীন আন্ধাৰ নিশা-শেষ ৰাঁহীৰ সুৰেও কেৱল
তোমাৰেই ঠিকনা বিচাৰে।
মোৰ এই ক্লান্ত মনে হঠাৎ
শুচি গ'ল কেনিবাদি
গভীৰ অৰণ্যৰ মাজেদি
কেৱল তোমাৰেই ঠিকনা বিচাৰি।



এই ঠিকনা-বিহীন জীৱনেও আজিচোন কেৱল
তোমাৰেই ঠিকনা বিচাৰি মুখত এটা মিঠা হাঁহি
মাৰে।

নাপাওঁ বুলি আমি পোৱাৰ হেঁপাহবোৰে চোন
আজি তোমাৰেই ঠিকনা বিচাৰে।
তেজ ৰঙা জবাপাহিঁ দুবৰীত সৰি পৰি,
মোলান হাঁহি মাৰি শুচি গ'ল কেনিবাদি
তোমাৰেই ঠিকনা বিচাৰি।

বিষ্ণুৰাভা, এতিয়া কিমান ৰাতি?
তুমি সাৰে আছা, সাৰে আছো আমি
আৰু সাৰে আছে প্ৰীতি
বিহুৰ তলীত চিফুং বাঁহীৰ কৰুণ সুৰ,
বড়ো গাভৰুৰ নাচোনৰ তাল ভাগে
জনতাৰ চকু, চকুৰ পানীৰে পূৰ।
মাজনিশা কোনে ৰাজআলিয়েদি আক্ষেপ কৰি যায়।

"বিষ্ণু ৰাভা আজি নাই।"